- 'ট্ৰাইক'গ্ৰামা কাইলনিচ' বা 'টেলিনমাচ ৰেমাৰ্চ' নামৰ কণী পৰজীৱিকৰণ পতংগক হেক্টৰে প্ৰতি ১,০০,০০০কৈ প্ৰতি সপ্তাহৰ মূৰে মূৰে ৫ৰ পৰা ৬ বাৰ প্ৰয়োগ কৰি এই পতংগক নিয়ন্ত্ৰণ কৰিব পাৰি। মন কৰিব লাগে যাতে কণী পৰজীৱিকৰণ পতংগ প্ৰয়োগ কৰাৰ সময়ত কোনো কাৰণতে ৰাসায়নিক কীটনাশক ঔষধ প্ৰয়োগ কৰিব নালাগে।
- ৰাসায়নিক কীটনাশকৰ ক্ষেত্ৰত থায়মিথক্সাম ১২.৬ নতুবা লেমডা চাইহেল'থ্ৰিন ৯.৫ শতাংশ, ০.৫ মিঃলিঃ প্ৰতিলিটাৰ পানীত মিহলাই শস্যত প্ৰয়োগ কৰি এই পতংগক নিয়ন্ত্ৰণ কৰিব পাৰি।
- আক্ৰমণৰ প্ৰাদুৰ্ভাৱ খুউব বেছি হ'লে ইমামেকটিন বেনজ'য়েট ০.৪ গ্ৰাম প্ৰতি লিটাৰ পানীত মিহলাই প্ৰয়োগ কৰিও ফল আৰ্মি ৱৰ্ম পতংগক নিয়ন্ত্ৰণ কৰিব পাৰি।



Prepared by AICRP on Biological Control, Department of Entomology, AAU, Jorhat-13 for the year 2019-20

Bulletin No. AAU/DR/19/BU/303/2019-20

# ফল আৰ্মি ৱৰ্ম

## গোমধানৰ অনিষ্টকাৰী পতংগ

ড° দিলীপ কুমাৰ শইকীয়া
শ্ৰী ৰুদ্ৰ নাৰায়ণ বৰকাকতি





সৰ্বভাৰতীয় সমন্বিত জৈৱিক নিয়ন্ত্ৰণ অনুসন্ধান প্ৰকল্প
অসম কৃষি বিশ্ববিদ্যালয়
যোৰহাট - ৭৮৫০১৩
২০১৯-২০

বিশ্বৰ বিভিন্ন প্ৰান্তৰ মানুহে গোমধানক মুখ্য আহাৰ ৰূপে ব্যৱহাৰ কৰে। মেক্সিক'ৰ থলুৱা কৃষকে ১০ হেজাৰ বছৰৰ পূৰ্বৰে পৰা গোমধানৰ খেতি কৰিছিল। অসমৰ বহু অঞ্চলতে বৰ্তমান ব্যৱসায়িক ভিত্তিত ইয়াৰ খেতি কৰা হয়। এইবিধ শস্যত সচৰাচৰ গোমধানৰ গা-গছ বিন্ধোৱা পোক (Maize stem borer) আৰু গোমধানৰ মোৱা পোক (Maize aphid) ৰ আক্ৰমণেই দেখা যায় যদিও শেহতীয়াকৈ ফল আৰ্মি ৱৰ্ম (Fall arrmy worm) নামৰ এবিধ পতংগই কৃষকৰ মাজত সন্ত্ৰাসৰ সৃষ্টি কৰিছে।

ফল আৰ্মি ৱৰ্ম হ'ল- গোমধান শস্যৰ এক প্ৰধান অনিষ্টকাৰী পতংগ। গোমধানৰ উপৰিও এই পোকবিধে ধান, কুঁহিয়াৰ, মিঠা গোমধানৰ (sweet Corn) লগতে বিভিন্ন ধৰণৰ শাক-পাচলিকো ঋতুভেদে কম বেছি পৰিমাণে অনিষ্ট কৰা দেখা যায়। বৰ্তমান সময়ৰ জলবায়ুৰ পৰিৱৰ্তনৰ বাবে পূৰ্বতে গৌণ হৈ থকা এই পতংগবিধ আমাৰ দেশত ২০১৮ চনৰ মাজভাগৰ পৰাহে গামধানৰ এক মুখ্য পতংগ হিচাপে চিহ্নিত হৈছে। ই এক বহুভোজী পতংগ।

পূৰ্ণাংগ অৱস্থাত মাইকী পখিলাৰ দেহৰ বৰণ ধোৱা বৰণীয়া আৰু ওপৰৰ পাখি দুখনৰ বাহিৰফালে কলা-মুগা বৰণৰ টোৰ দৰে কিছুমান আঁচ থাকে। মতাপখিলাৰ পাখিৰ বৰণ ডাঠ মুগা। আগ পাখি দুখনৰ বাহিৰফালে সৰু সৰু বৰণৰ চকৰিৰ দৰে ফুট দেখা যায়। পূৰ্ণাংগ অৱস্থাৰ পখিলা দীঘলে প্ৰায় ১৫-১৭ মিঃ মিঃ আৰু পাখি বিস্তাৰিত অৱস্থাত প্ৰায় ৩৫-৩৭ মিঃ মিঃ বহল হয়। কণীৰ পৰা নতুনকৈ ওলোৱা পলুবিলাকৰ বৰণ পাতল ধোৱা বৰণীয়া। বয়স বঢ়াৰ লগে লগে পলুৰ দেহৰ বৰণ পাতল সেউজীয়াৰ পৰা লাহে লাহে মুগা বৰণৰ হয়।



ফল আৰ্মি ৱৰ্মৰ কণীৰ থোপা

ফল আৰ্মি ৱৰ্মৰ পূৰ্ণাংগ পতংগই ৰাতিটোৰ ভিতৰতে প্ৰায় ১০০ কিঃ মিঃ পথ অতিক্ৰম কৰিব পাৰে। এখন শস্যৰ পথাৰৰ পৰা অন্য এখনলৈ অতি সহজে প্ৰব্ৰজন কৰি খেতিৰ অনিষ্ট সাধন কৰে। এই পতংগই গোমধানৰ পাতত থোপাথোপকৈ কণী পাৰে। একোটা কণীৰ থোপাত ৫০-১৫০টালৈকে কণী থাকে। কণীৰ থোপাবোৰ মুগা বৰণৰ নোমেৰে আবৃত হৈ থাকে। একোজনী পখিলাই জীৱনকালত গড় হিচাপে প্ৰায় ১০০০ মান কণী পাৰে। কণী পৰাৰ পৰা ৩-৫ দিনৰ ভিতৰত কণী ফুটি পলু ওলায়। নতুনকৈ ওলোৱা পলুবিলাক সাধাৰণতে একগোটকৈ থাকি গছৰ কুমলীয়া পাতৰ সেউজীয়া অংশখিনি এফালৰ পৰা খাই অনিষ্ট কৰে। বয়স বঢ়াৰ লগে লগে পলুৱে গা-গছৰ পত্ৰ কুণ্ডলীৰ ভিতৰলৈ সোমাই যায় আৰু গা-গছৰ ভিতৰৰ কোমল মগুহাল অংশখিনি খাই অনিষ্ট সাধন কৰে আৰু ইয়াৰ বাবে গছডাল বাঢ়িব নোৱাৰা হয়। সাধৰণতে হঠাতে বৰষুণৰ মাত্ৰা বৃদ্ধি পোৱা অঞ্চলসমূহত এই পোকৰ আক্ৰমণ বেছিকৈ হোৱা পৰিলক্ষিত হৈছে। গছত গুটি ধৰাৰ সময়ত এই পতংগই আক্ৰমণ কৰিলে গোমধানৰ গুটিকো আক্ৰমণ কৰে। দুপৰীয়া ভাগতকৈ ৰাতিপুৱা আৰু সন্ধ্যাৰ সময়ত পলুৱে গোমধান গছক বেছিকৈ আক্ৰমণ কৰা পৰিলক্ষিত হয়। লেটা হোৱাৰ পূৰ্বে বতৰৰ তাপমানৰ ওপৰত নিৰ্ভৰ কৰি পলুবিলাকে ১৭-২৮ দিনৰ ভিতৰত জীৱন চক্ৰ সম্পূৰ্ণ কৰে। মাটিৰ তলত গাত কৰি পলুৱে লেটা বান্ধে।



কণীৰ পৰা ওলোৱা পলু



ক্ষতিকাৰক পলু



ফল আৰ্মি ৱৰ্মৰ পূৰ্ণাংগ চকৰী



ফল আৰ্মি ৱৰ্মৰ দ্বাৰা আক্ৰান্ত গোমধানৰ গছ



ফল আৰ্মি ৱৰ্মৰ আক্ৰান্ত মাকৈ

### ফল আৰ্মি ৱৰ্ম নিয়ন্ত্ৰণৰ ব্যৱস্থা

নিম্নলিখিত ব্যৱস্থাসমূহ অৱলম্বন কৰি গোমধানৰ পথাৰত এই অনিষ্টকাৰী পতংগৰ নিয়ন্ত্ৰণ কৰিব পাৰি -

- ফল আৰ্মি ৱৰ্মৰ আক্ৰমণ আৰম্ভ হ'লে- আক্ৰান্ত গছবোৰ উভালি পুতি বা পুৰি পেলাই এই পতংগৰ বংশ বৃদ্ধি ৰোধ কৰিব পাৰি।
- ফল আৰ্মি ৱৰ্মৰ ক্ষেত্ৰত উপযুক্ত সময়ত আগতীয়াকৈ খেতি কৰিলে এই পোকৰ আক্ৰমণৰ পৰা শস্য ডৰাক ৰক্ষা কৰিব পাৰি।
- অতিৰিক্ত অনুপাতত নাইট্ৰজেন জাতীয় সাৰ গোমধানত প্ৰয়োগ কৰিব নালাগে। অতিৰিক্ত সাৰ প্ৰয়োগেগোমধানত ফল আৰ্মি ৱৰ্মৰ আক্ৰমণ বেছিকৈ কৰা দেখা যায়।
- ফল আৰ্মি ৱৰ্মৰ গোমধানৰ পাতত পৰা কণীসমূহ চিনাক্ত কৰি পথাৰতে অনিষ্ট কৰিও পতংগৰ বংশ বৃদ্ধি ৰোধ কৰিব পাৰি।
- ফেৰ'মন ফান্দ ব্যৱহাৰ কৰিও এই পোকৰ অৱস্থিতি ঠাৱৰ কৰিব পাৰি।
- ফল আৰ্মি ৱৰ্মৰ আক্ৰমণ দেখিলেই জৈৱিক কীটনাশক যেনে নীমৰ ঔষধ (NSKE 5%) ৫ মিঃ লিঃ; নোমাৰিয়া ৰিলি ২ গ্ৰাম; মেটাৰহিজিয়াম এনিচ'পিলি ৫ গ্ৰামৰ যিকোনো এটাক প্ৰতিলিটাৰ পানীত মহলাই উপযুক্ত সময়ত স্প্ৰে কৰিও পতংগৰ বংশ বৃদ্ধি ৰোধ কৰিব পাৰি।